# সংবিধান

## ছাত্ৰ একতা সভা

চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়, অমৃতপুৰ

ডাক ঃ চিলাপথাৰ, ধেমাজি (অসম)

পিন-৭৮৭০৫৯

Scanned with CamScanner

# চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ
## ছাত্ৰ একতা সভাৰ সংবিধান

ডাক-চিলাপথাৰ, ধেমাজি (অসম)

প্ৰস্তাৱনা ঃ

চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে এই সংবিধান বলবৎ হোৱা সময়ৰ পৰা "চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা" নামেৰে পৰিচিত হ'ব। সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত সংগঠনৰ জৰিয়তে পাৰস্পৰিক ঐক্য, সম্প্ৰীতি, সদ্‌ভাৱ আৰু বুজাপৰা স্থাপন কৰা, সাহিত্য, ক্ৰীড়া, সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশ সাধন কৰা, উচ্চ নৈতিকতাৰ উন্মেষ ঘটোৱা, গণতন্ত্ৰৰ ভাৱাদৰ্শ প্ৰকাশ, ন্যায্য অধিকাৰ নিশ্চিত কৰা, শিক্ষা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰগতিৰ হকে হিতকাৰী সংগঠনৰ লগত সহযোগ কৰা, সমাজ ও ছাত্ৰ-ছাত্ৰীসকলক নৈতিক দিশত অহিতকাৰী সংগঠনৰ পৰা দূৰত্ব বজাই ৰখাৰ দৃঢ় সংকল্প গ্ৰহণ কৰি ৰাষ্ট্ৰৰ গণতান্ত্ৰিক আদৰ্শৰ আৰ্হিত ছাত্ৰ একতা সভা গঠনৰ যুক্তিযুক্ততা মানি চলি "চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান" নামেৰে পৰিচিত এই সংবিধানৰ ব্যৱস্থাৱলীৰ আধাৰত ছাত্ৰ একতা সভাৰ কাৰ্যাৱলী নিয়াৰিকৈ পৰিচালনা কৰাৰ প্ৰতিশ্ৰুতিৰে সংবিধানখন কাৰ্যকৰীকৰণৰ বাবে গ্ৰহণ কৰা হ'ল।

অনুচ্ছেদ-১ ঃ **লক্ষ্য ও উদ্দেশ্য**

সংবিধানৰ প্ৰস্তাৱনাত উল্লিখিত লক্ষ্যসমূহত উপনিত হ'বলৈ চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই নিম্নলিখিত দিশসমূহ মনোনিৱেশ কৰিব—



Scanned with CamScanner

অনুচ্ছেদ-১/

(ক) মহাবিদ্যালয়ৰ সুস্থ-সৰল শৈক্ষিক পৰিৱেশ গঠনত।

(খ) ছাত্ৰ সমাজত মাজত আধ্যাত্মিক ভাৱ জাগ্ৰত কৰাৰ লগতে ব্যক্তিত্ব বিকাশত বিশেষভাৱে মনোনিৱেশকৰিব।

(গ) প্ৰকৃতি সুৰক্ষা আৰু পৰিৱেশ সজাগতাত ছাত্ৰ সমাজক আকৰ্ষিত কৰা।

(ঘ) ছাত্ৰ সমাজৰ মাজত সামাজিক দায়বদ্ধতা বৃদ্ধি কৰা।

(ঙ) ছাত্ৰ সমাজক থলুৱা ভাষা, কৃষ্টিৰ প্ৰতি দায়বদ্ধ কৰা।

(চ) আভ্যন্তৰীণ ক্ৰীড়া আৰু বহিৰাঙ্গণ ক্ৰীড়াৰ আয়োজনত মনোনিবেশ কৰা।

(ছ) সংগীত, নাটক আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজনত মনোনিবেশ কৰা।

(জ) আন্তঃমহাবিদ্যালয় আৰু আন্তঃবিশ্ববিদ্যালয় সমাৰোহত অংশ গ্ৰহণ কৰা।

(ঝ) মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ কৰা।

(ঞ) সমাজসেৱা তথা জনকল্যাণ সেৱাত ব্ৰতী হোৱা।

(ট) বাতৰিকাকত, আলোচনী আদিৰ লিখনিৰে বৌদ্ধিক প্ৰকাশ মনোনিবেশ কৰা।

(ঠ) প্ৰয়োজন অনুসৰি শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনেৰে জনমত গঠন কৰা।

অনুচ্ছেদ - ২ ঃ **চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**

ছাত্ৰ একতা সভা বুলিলে যিহেতু ছাত্ৰ-ছাত্ৰীৰ সন্মিলিত গোটক সূচাই, চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰীসকলৰ সন্মিলিত গোটকে বুজোৱা হৈছে।

অনুচ্ছেদ-৩ ঃ **চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সীমাবদ্ধতা**

মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ একমাত্ৰ অৰাজনৈতিক ছাত্ৰ সংগঠন চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় ছাত্ৰ একতা সভা। চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাহিৰে মহাবিদ্যালয়ৰ চৌহদত কোনো ৰাষ্ট্ৰিয় বা ৰাজ্যিক পৰ্যায়ৰ নতুবা জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ



Scanned with CamScanner

শাখা/গোট মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক লৈ গঠন কৰিব নোৱাৰিব বা বৈধ বুলি বিবেচিত নহব।

## অনুচ্ছেদ - ৪ ঃ ছাত্ৰ একতা সভাৰ সদস্যসকলৰ অধিকাৰ আৰু কৰ্তব্য

অনুচ্ছেদ- ৪ঃ (ক) একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে সময়ে সময়ে আহবান কৰা সাধাৰণ সভাত যোগদান কৰি সদস্যসকলে আলোচনাত অংশ গ্ৰহণ কৰিব পাৰে আৰু ভোটদানৰ প্ৰয়োজন হ'লে ভোট দিয়াৰ অধিকাৰ পাব।

অনুচ্ছেদ- ৪ঃ (খ) কাৰ্যনিৰ্বাহক সমিতিয়ে মাজে সময়ে অনুষ্ঠিত কৰা আলোচনা চক্ৰ, তৰ্ক সভা, বক্তৃতা আৰু তেনে ধৰণৰ অন্যান্য সামাজিক অনুষ্ঠান বা সেৱাকাৰ্যত সদস্যসকলে যোগদান কৰি অংশ গ্ৰহণ কৰিব পাৰিব।

অনুচ্ছেদ- ৪ঃ (গ) ছাত্ৰ সমাজ তথা জনগনৰ মহৎ উদ্দেশ্যৰ আমাৰ দেশৰ ভিতৰত অনুষ্ঠিত যিকোনো সভা সন্মিলন বা সমাৰোহত সদস্যসকলে তেওঁলোকৰ ছাত্ৰ একতা সভাক প্ৰতিনিধিত্ব কৰিব পাৰিব।

অনুচ্ছেদ- ৪ঃ (ঘ) চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ গঠনৰ নিৰ্বাচনত সদস্যসকলে ভোটদান কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ- ৪ঃ (ঙ) ছাত্ৰ একতা সভাৰ সদস্যসকলে কাৰ্যকৰী সমিতিৰ বিগত কাৰ্যাৱলী পৰ্যালোচনা কৰিবৰ বাবে বাৰ্ষিক সাধাৰণ সভাত এবাৰকৈ মিলিত হ'ব আৰু সদস্যসকলে কাৰ্য-নিৰ্বাহক সমিতিৰ পৰা কৈফিয়ৎ তলব কৰাৰ অধিকাৰ থাকিব। কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে কাৰ্য-নিৰ্বাহক সমিতিৰ সাধাৰণ সম্পাদকে ছাত্ৰ একতা সভাৰ বাৰ্ষিক সাধাৰণ সভা আহবান কৰিব লাগিব।

অনুচ্ছেদ - ৪ঃ (চ) নতুন কাৰ্যকালৰ আৰম্ভণিতে ছাত্ৰ একতা সভাৰ দ্বাৰা কাৰ্যভাৰ



Scanned with CamScanner

নতুন সমিতিক দিয়াৰ আগতে একতা সভাৰ দ্বাৰা ছাত্ৰ আৰু শিক্ষক সদস্যসকলকলৈ বাচনি কৰা হিচাপ পৰীক্ষক সমিতিয়ে সকলো হিচাপ পৰীক্ষা কৰিব। হিচাপ পৰীক্ষণৰ প্ৰতিবেদন ছাত্ৰ একতা সভাই উত্থাপন মঞ্জুৰ কৰিব লাগিব। নিৰ্বাচন শেষ হোৱা পোন্ধৰ দিনৰ ভিতৰত কাৰ্যভাৰ নতুন সমিতিক হস্তান্তৰ কৰিব লাগিব।

অনুচ্ছেদ- ৫ ঃ **ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতি**

অনুচ্ছেদ - ৫ঃ (ক)চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিখন এবছৰীয়া কাৰ্যকালৰ বাবে নিম্নলিখিত বিষয়ববীয়াসকলক লৈ গঠিত হ'ব—

১। সভাপতি

২। উপ-সভাপতি

৩। সাধাৰণ সম্পাদক

৪। সহকাৰী সাধাৰণ সম্পাদক

৫। সম্পাদক, গুৰু ক্ৰীড়া বিভাগ

৬। সম্পাদক, লঘু ক্ৰীড়া বিভাগ

৭। সম্পাদক, সাহিত্য ও আলোচনী বিভাগ

৮। সম্পাদক, সাংস্কৃতিক বিভাগ

৯। সম্পাদক, তৰ্ক আৰু নাট বিভাগ

১০। সম্পাদক, সমাজ সেৱা বিভাগ

১১। সম্পাদক, শৰীৰ চৰ্চা বিভাগ

১২। সম্পাদক, ছাত্ৰ জিৰণী কোঠা

১৩। সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

১৪। প্ৰতি শ্ৰেণীৰ পৰা এজনকৈ শ্ৰেণী প্ৰতিনিধি



Scanned with CamScanner

১৫। প্ৰত্যেক বিভাগতে একোজনকৈ তত্বাৱধায়ক

১৬। পদেন সদস্য— প্ৰাক্তন সাধাৰণ সম্পাদক

অনুচ্ছেদ - ৫ঃ (খ) সাধাৰণ বিষয় আলোচনা কৰিবলৈ হ'লে সাধাৰণ সংখ্যা গৰিষ্ঠ দ্বাৰা কাৰ্যনিৰ্বাহক সমিতি থুল গঠন কৰিব লাগিব।

অনুচ্ছেদ - ৬ঃ **ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কাৰ্যাৱলী**

অনুচ্ছেদ-৬ ঃ (ক) কাৰ্য-নিৰ্বাহক সমিতিয়ে ছাত্ৰ একতা বছেৰেকীয়া আয়-ব্যয়ৰ পৰিকল্পনা প্ৰস্তুত কৰিব আৰু অধ্যক্ষই ইয়াত অনুমোদন জনালেহে কাৰ্যকৰী হ'ব।

অনুচ্ছেদ - ৬ ঃ (খ) প্ৰয়োজন সাপেক্ষে কাৰ্য-নিৰ্বাহক সমিতিত খালী হৈ থকা এজন সদস্য পদ কাৰ্য-নিৰ্বাহক সমিতিয়ে অধ্যক্ষৰ অনুমতি সাপেক্ষে নিৰ্বাচনৰ দ্বাৰা নিয়োগ কৰিব পাৰিব।

অনুচ্ছেদ - ৬ ঃ (গ) কাৰ্য-নিৰ্বাহক সমিতিয়ে ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰগতিৰ বাবে মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা, বিদায় সভা, সাংস্কৃতিক অনুষ্ঠান তৰ্ক ও আলোচনা সত্ৰ, সমাজ ক্ৰীড়া প্ৰতিযোগিতা ইত্যাদি অনুষ্ঠিত কৰিব পাৰিব। এই ক্ষেত্ৰত বিভাগীয় শিক্ষক তত্বাৱধায়ক আলোচনা পৰামৰ্শ মৰ্মে অধ্যক্ষৰ পৰা ল'ব লাগিব।

অনুচ্ছেদ - ৬ ঃ (ঘ) কাৰ্য-নিৰ্বাহক সমিতিয়ে মহাবিদ্যালয়ৰ উৰ্দ্ধতম কৰ্তৃপক্ষৰ জ্ঞাতসাৰে যিকোনো অন্য ছাত্ৰ একতা সভা বাব সন্থালৈ অংশ গ্ৰহণ বা সহযোগ কৰিবলৈ প্ৰতিনিধি পঠাব পাৰে। যদিহে এনে একতা সভা বাব সন্থাৰ ছাত্ৰ সম্প্ৰদায়ৰ বৃহত্তৰ অনুকূলে কাম কৰিবলৈ সংগঠন কৰা হয়।

অনুচ্ছেদ - ৬ ঃ (ঙ) মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান উদ্‌যাপন কৰিবলৈ কাৰ্য-নিৰ্বাহক সমিতিয়ে ছাত্ৰ একতা সভাৰ নীতি-নিয়ম আৰু কাৰ্যক্ৰমণিকা প্ৰস্তুত



Scanned with CamScanner

কৰিব পাৰিব। কিন্তু এনে ধৰণৰ নীতি-নিয়ম আৰু কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰোঁতে তত্বাৱধায়ক আৰু উপদেশ অনুকৰণ কৰিব লাগিব।

অনুচ্ছেদ - ৬ ঃ (চ) কাৰ্য-নিৰ্বাহক সমিতিয়ে ছাত্ৰ একতা সভাৰ বছেৰেকীয়া কাৰ্যক্ৰমণিকাৰ সূচী প্ৰস্তুত কৰি মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুমোদন ল'ব লাগিব।

অনুচ্ছেদ - ৬ ঃ (ছ) আটাইবোৰ সিদ্ধান্ত বা প্ৰস্তাৱ কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা গৃহীত হ'ব লাগিব। কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা গৃহিত অধিক ব্যয়ৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাই পুনৰালোচনা কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ - ৬ ঃ (জ) কাৰ্যনিৰ্বাহক সমিতিৰ নীতি-নিয়মৰ বিৰুদ্ধে কাৰ্যনিৰ্বাহক সমিতিৰ কোনো সদস্যই কিবা দোষ কৰিলে কাৰ্যনিৰ্বাহক সমিতিয়ে যিকোনো সদস্যকে নিলম্বন কৰাৰ ক্ষমতা থাকিব।

অনুচ্ছেদ - ৬ ঃ (ঝ) সংবিধানৰ যিকোনো ব্যৱস্থা লংঘনৰ বাবে সেই বছৰটোৰ কাৰ্য নিৰ্বাহক সমিতি ভংগ কৰিবলৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ দুই তৃতীয়াংশ সংখ্যা গৰিষ্ঠভাৱে অনাস্থা প্ৰস্তাৱ দিয়াৰ অধিকাৰ থাকিব। কাৰ্যনিৰ্বাহক সমিতি ভংগ হোৱাৰ ত্ৰিশ (৩০) দিনৰ ভিতৰত অধ্যক্ষই নতুন নিৰ্বাচন পাতিব লাগিব।

অনুচ্ছেদ - ৭ ঃ **ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ ক্ষমতা আৰু কাৰ্যাৱলী**

অনুচ্ছেদ- ৭ ঃ (ক) **সভাপতি ঃ-**

১) চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য নিৰ্বহক সমিতিৰ সভাপতি প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰিব।

২) ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ সভাপতিয়ে কাৰ্য নিৰ্বাহক সমিতিৰ বিভিন্ন বিভাগৰ কাৰ্যবোৰত সহযোগিতা, নিয়ন্ত্ৰণ

Scanned with CamScanner

কৰিব পাৰিব। কিন্তু এনে ধৰণৰ নীতি-নিয়ম আৰু কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰোঁতে তত্বাৱধায়ক আৰু উপদেশ অনুকৰণ কৰিব লাগিব।

অনুচ্ছেদ - ৬ ঃ (চ) কাৰ্য-নিৰ্বাহক সমিতিয়ে ছাত্ৰ একতা সভাৰ বছেৰেকীয়া কাৰ্যক্ৰমণিকাৰ সূচী প্ৰস্তুত কৰি মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুমোদন ল'ব লাগিব।

অনুচ্ছেদ - ৬ ঃ (ছ) আটাইবোৰ সিদ্ধান্ত বা প্ৰস্তাৱ কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা গৃহীত হ'ব লাগিব। কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা গৃহিত অধিক ব্যয়ৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাই পুনৰালোচনা কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ - ৬ ঃ (জ) কাৰ্যনিৰ্বাহক সমিতিৰ নীতি-নিয়মৰ বিৰুদ্ধে কাৰ্যনিৰ্বাহক সমিতিৰ কোনো সদস্যই কিবা দোষ কৰিলে কাৰ্যনিৰ্বাহক সমিতিয়ে যিকোনো সদস্যকে নিলম্বন কৰাৰ ক্ষমতা থাকিব।

অনুচ্ছেদ - ৬ ঃ (ঝ) সংবিধানৰ যিকোনো ব্যৱস্থা লংঘনৰ বাবে সেই বছৰটোৰ কাৰ্য নিৰ্বাহক সমিতি ভংগ কৰিবলৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ দুই তৃতীয়াংশ সংখ্যা গৰিষ্ঠভাৱে অনাস্থা প্ৰস্তাৱ দিয়াৰ অধিকাৰ থাকিব। কাৰ্যনিৰ্বাহক সমিতি ভংগ হোৱাৰ ত্ৰিশ (৩০) দিনৰ ভিতৰত অধ্যক্ষই নতুন নিৰ্বাচন পাতিব লাগিব।

অনুচ্ছেদ - ৭ ঃ **ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ ক্ষমতা আৰু কাৰ্যাৱলী**

অনুচ্ছেদ- ৭ ঃ (ক) **সভাপতি ঃ-**

১) চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য নিৰ্বহক সমিতিৰ সভাপতি প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰিব।

২) ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ সভাপতিয়ে কাৰ্য নিৰ্বাহক সমিতিৰ বিভিন্ন বিভাগৰ কাৰ্যবোৰত সহযোগিতা, নিয়ন্ত্ৰণ



Scanned with CamScanner

আৰু নিৰ্দেশ দিয়াৰ ক্ষমতা থাকিব।

৩) স্নাতক মহলাৰ পঞ্চম যান্মাসিকৰ পৰা সভাপতিজন নিৰ্বাচনত অৱতীৰ্ণ হ'ব পাৰিব। কাৰ্য-নিৰ্বাহক সমিতিৰ সভাপতিয়ে বিভিন্ন বিভাগবোৰত একোজনকৈ তত্বাৱধায়ক নিয়োগৰ তালিকা অনুমোদনৰ কাৰণে অধ্যক্ষলৈ প্ৰেৰণ কৰিব পাৰিব।

৪) সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে কাৰ্য-নিৰ্বাহক সমিতি বা একতা সভাৰ সভাত সভাপতিত্ব কৰিব। সাধাৰণতে উপ-সভাপতিয়ে এনেকুৱা সভাৰ কাৰ্য-বিৱৰণীত ভোট দিয়াৰ অধিকাৰ নাথাকিব। কিন্তু সমসংখ্যাৰ ভোটৰ ক্ষেত্ৰত উপ সভাপতিয়ে ভোট দিয়াৰ অধিকাৰে থাকিব।

৫) প্ৰত্যেক বছৰৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আয়-ব্যয়ৰ হিচাপ সভাপতিয়ে কাৰ্য-নিৰ্বাহকৰ বিনা অনুমোদনত মহাবিদ্যালয়ৰ অধ্যক্ষলৈ প্ৰেৰণ কৰিব নোৱাৰিব।

৬) কৰ্তৃপক্ষৰ পৰা বিভিন্ন বিভাগবোৰ আদায় পাব লগা টকা সভাপতিয়ে কাৰ্য-নিৰ্বাহকত অনুমোদন কৰিব লাগিব। লগতে কাৰ্য-নিৰ্বাহক সভাপতিয় বিভিন্ন বিভাগৰ পুঁজিৰ পৰিমাণ বিভাগীয় তত্বাৱধায়কক জনাব লাগিব।

৭) পুৰণা কাৰ্য-নিৰ্বাহক সমিতি ভংগ আৰু নতুন কাৰ্য-নিৰ্বাহক সমিতি গঠন নোহোৱালৈকে পুৰণি সভাপতিয়ে তদৰ্থ ভিত্তিত ছাত্ৰ একতা সভাৰ মুৰব্বী হিচাবে কাম চলাই যাব লৰগিব।

৮) সভাপতিয়ে গ্ৰহণ প্ৰতিটো বিষয় ও সিদ্ধান্ত মহাবিদ্যালয়ৰ অধ্যক্ষৰ অনুমতি সাপেক্ষেহে কাৰ্যকৰী কৰিব পাৰিব। অন্যথা উক্ত বিষয় ও সিদ্ধান্তসমূহ অসাংবিধানিক বুলি বিবেচিত হ'ব।



Scanned with CamScanner

অনুচ্ছেদ- ৭ ঃ (খ) **উপ-সভাপতি ঃ-**

সভাপতিৰ উপৰিও সংবিধানে ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বাবে উপ-সভাপতি প্ৰয়োজন বোধ কৰে।

১) কাৰ্য-নিৰ্বাহক সমিতিৰ উপ-সভাপতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যক্ষ ভোটৰ জৰিয়তে নিৰ্বাচনীবিধি অনুসৰি নিৰ্বাচিত হ'ব। স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে কেৱল উপ-সভাপতিৰ পদত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব।

২) সাধাৰণতে উপ-সভাপতিয়ে সভাপতিক সকলো বিষয়তে সহায়-সহযোগিতা কৰিব আৰু সভাপতিৰ অনুপস্থিতিত সভাপতিয়ে কাৰ্যভাৰ গ্ৰহণ নকৰা দিনলৈকে উপ-সভাপতিয়ে তেওঁৰ সমূহ কাৰ্যভাৰ চলাই যাব লাগিব।

অনুচ্ছেদ- ৭ ঃ (গ) **সাধাৰণ সম্পাদক ঃ-**

১) সাধাৰণ সম্পাদকজনেই ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ নেতা। তেওঁৰেই কাৰ্য-নিৰ্বাহক গোট আৰু কৰ্তৃপক্ষৰ মাজত মুখ্য যোগ সূত্ৰ। তেওঁ কাৰ্য-নিৰ্বাহক আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়তে বাব সাধাৰণ নীতি-নিময় আৰু কাৰ্যক্ৰমণিকাৰ ক্ষেত্ৰত মুখ্য মুখপাত্ৰ হ'ব।

২) সাধাৰণ সম্পাদকজনে ছাত্ৰ একতা সভাৰ কাৰ্য-বিৱৰণী কাৰ্য নিৰ্বাহক সমিতিৰ বা ছাত্ৰ একতা সভাৰ বৈঠকৰ নথি-পত্ৰ সমূহ ৰাখিব লাগিব।

৩) সভাপতিৰ অনুমোদনক্ৰমে তেওঁৰেই ছাত্ৰ একতা সভাৰ বৈঠক বা কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠক আহবান কৰিব লাগিব।

৪) সাধাৰণ সম্পাদকৈ সমিতিৰসমূহ খৰচৰ হিচাপ কমিটিৰ আগত



Scanned with CamScanner

দাখিল কৰিবৰ বাবে কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠক আহবান ৰাখিব লাগিব।

৫) সাধাৰণ সম্পাদকজনে বিভাগীয় সম্পাদকৰ লগত প্ৰকৃত সমন্বয় স্থাপন কৰিব আৰু তেওঁলোকৰ কৰ্তব্য পালনৰ ক্ষেত্ৰত সহযোগিতা কৰিব লাগিব।

৬) সাধাৰণ সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ গৰিষ্ঠ সংখ্যক সদস্যৰ মতৰ অবিহতে কোনো অনুষ্ঠান আয়োজন কৰিব নোৱাৰা কিন্তু ছাত্ৰ একতা সভাৰ সমূহীয়া স্বাৰ্থত বৰ জৰুৰী বুলি ভাবিলে সভাপতি আৰু মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগত আলোচনা কৰি অনুষ্ঠান আয়োজন কৰিবলৈ সিদ্ধান্ত .ল'ব পাৰিব।

৭) যদি কাৰ্য-নিৰ্বাহক সমিতিৰ এক তৃতীয়াংশ সদস্যই কাৰ্য নিৰ্বাহক সমিতিৰ বৈঠক অনুষ্ঠিত কৰিবলৈ দাবী কৰে, তেন্তে সাধাৰণ সম্পাদকৰ অমত হ'লেও সভাপিতয়ে সহকাৰী সাধাৰণ সম্পাদক বাব কাৰ্য-নিৰ্বাহক সমিতিৰ যিকোনো এজন সদস্যক এনে কৈ আহবান কৰিবলৈ সভাপতিয়ে নিদেৰ্শনা দিব পাৰে।

৮) সাধাৰণ সম্পাদকজনে যাৱতীয় খৰচৰ বাবে তেওঁৰ হাতত ৫০০.০০ (পাঁচশ) টকা নগদ পুঁজি ৰাখিব পাৰিব।

৯) স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে কেৱল সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব।

১০) সাধাৰণ সম্পাদকে যিকোনো পৰিকল্পনা বা কৰ্মসূচী সভাপতিৰ অনুমোদনৰ অবিহনে গ্ৰহণ কৰিব নোৱাৰিব।

অনুচ্ছেদ- ৭ ঃ (ঘ) **সহকাৰী সাধাৰণ সম্পাদক ঃ-**

১) সহকাৰী সাধাৰণ সম্পাদকজনে সাধাৰণ সম্পাদকজনৰ কাৰ্য



Scanned with CamScanner

চলোৱাত সহায় কৰিব আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহৰ সাধাৰণ সম্পাদকে সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰিব। সাধাৰণ সম্পাদকজনে কাৰ্যভাৰ পুনৰ গ্ৰহণ নকৰালৈকে তেওঁৱেই সাধাৰণ সম্পাদকৰ কৰ্তৃত্বলৈ কাৰ্যভাৰ চলাই যাব।

২) উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীহে এই পদৰ বাবে প্ৰাৰ্থী হ'ব পাৰি।

অনুচ্ছেদ- ৭ ঃ (ঙ) **বিভাগীয় সম্পাদক ঃ-**

১) বিভাগীয় সম্পাদকসলক তেওঁলোকৰ নিজ নিজৰ বিভাগৰ বিভিন্ন কাৰ্যৰ বাবে দায়বদ্ধ হ'ব লাগিব।

২) প্ৰতিজন বিভাগীয় সম্পাদকে নিজা তত্বাৱধায়কৰ লগত আলোচনা আৰু পৰামৰ্শ গ্ৰহণ কৰি খৰচৰ খতিয়ান প্ৰস্তুত কৰিব লাগিব।

৩) প্ৰত্যেক বিভাগীয় সম্পাদকে তেওঁলোকৰ নিজা নিজা বিভাগৰ লগত জড়িত থকা অনুষ্ঠানসমূহ আয়োজন কৰাৰ গুৰু দায়িত্ব গ্ৰহণ কৰিব লাগিব।

৪) সকলো বিভাগীয় সম্পাদকে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্দেশ্য সাধন কৰিবলৈ দলীয় প্ৰেৰণাৰে কাম কৰি যাম লাগিব।

৫) তেওঁলোকৰ সকলো বিষয় আৰু কৰ্মসূচী সভাপতি আৰু সাধাৰণ সম্পাদকৰ সৈতে আলোচনা মাধ্যমেৰে হ'ব লাগিব।

৬) মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদকে বাৰ্ষিক আলোচনী প্ৰকাশ কৰিবলৈ তত্বাৱধায়কৰ উপৰিও ছাত্ৰ একতা সভাৰ বিষয়ববীয়া ছাত্ৰ আৰু শিক্ষকৰ মাজৰ পৰা সদস্যলৈ এখনি সম্পাদনা সমিতি কাৰ্য-নিৰ্বাহকৰ জ্ঞাতাৰ্থে গঠন কৰি ল'ব লাগিব।

৭) ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকজন প্ৰত্যাক বছৰৰ



Scanned with CamScanner

প্ৰথম বা তৃতীয় যান্মাসিকৰ পৰাহে কেৱল প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব।

৮) প্ৰত্যেক বিভাগীয় সম্পাদকে তেওঁ বিভাগৰ তত্ত্বাৱধানত থকা সামগ্ৰীসমূহৰ ৰেজিষ্টাৰ ৰাখিব লাগিব।

অনুচ্ছেদ - ৮ ঃ **ছাত্ৰ একতা সভাৰ বিভাগীয় তত্ত্বাৱধায়কসকলৰ ক্ষমতা আৰু কাৰ্যাৱলী**

অনুচ্ছেদ- ৮ ঃ (ক) ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰতিটো শাখাই একোজন শিক্ষকৰ তদাৰকত আৰু পৰামৰ্শত চলিব। যিজনক বিভাগটোৰ তত্ত্বাৱধায়ক হিচাবে গণ্য কৰা হ'ব।

অনুচ্ছেদ- ৮ ঃ (খ) প্ৰতিজন বিভাগীয় তত্ত্বাৱধায়কৰ উপৰিও সামূহিক তদাৰকৰ কাৰণে প্ৰয়োজন সাপেক্ষে এজন মুখ্য তত্ত্বাৱধায়ক ৰাখিব পাৰিব।

অনুচ্ছেদ- ৮ ঃ (গ) ছাত্ৰ একতা সভাৰ প্ৰতিটো বিভাগত তদাৰক দিহা-পৰামৰ্শ দিবলৈ শিক্ষকবৃন্দৰ পৰা দায়িত্ব প্ৰদান তত্ত্বাৱধায়কসকলৰ তালিকা কাৰ্য নিৰ্বাহক সমিতিয়ে প্ৰস্তুত কৰি অধ্যক্ষৰ পৰা অনুমোদন ল'ব লাগিব।

অনুচ্ছেদ- ৮ ঃ (ঘ) প্ৰতিজনে শিক্ষক তত্ত্বাৱধায়কে বিভাগীয় সম্পাদকক খৰচৰ তালিকা প্ৰস্তুত কৰোতে সহায় কৰিব আৰু সকলো ক্ষেত্ৰতে সম্পাদকে কৰা খৰচখিনিৰ বাবে তত্ত্বাৱধায়কৰ আগতীয়া অনুমোদন ল'ব লাগিব।

অনুচ্ছেদ- ৮ ঃ (ঙ) কোনো এটা দপ্তৰৰ বাবে টকা আবন্টনৰ দাবী সেই বিভাগৰ তত্ত্বাৱধায়কৰ আগতীয়া অনুমোদনৰ অবিহনে অধ্যক্ষই মঞ্জুৰ কৰিব নোৱাৰিব।

অনুচ্ছেদ- ৮ঃ (চ) তত্ত্বাৱধায়ক শিক্ষকসকলে ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকত উপস্থিত থাকিব পাৰিব আৰু ইয়াৰ আলোচনাত ভাগ ল'ব পাৰিব। কিন্তু তেওঁলোকৰ ভোটাধিকাৰ নাথাকিব।



Scanned with CamScanner

অনুচ্ছেদ - ৯ ঃ **ছাত্র একতা সভাৰ নিৰ্বাচন**

অনুচ্ছেদ- ৯ ঃ (ক) ছাত্র একতা সভাৰ নিৰ্বাচনী প্ৰক্ৰিয়া ভাৰত চৰকাৰ মানৱ সম্পদ মন্ত্ৰালয়ৰ LYNGDOH Committee- 2006 ৰ নিয়মৰ অধীনত পৰিচালিত হব।

অনুচ্ছেদ- ৯ ঃ (খ) মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্বাচন পৰিচালনা কৰিব কিন্তু তেওঁৰ প্ৰশাসনিক কৰ্তব্য ব্যস্ততাৰ কাৰণে তলত উল্লিখিত ধৰণে এখন নিৰ্বাচনী পৰিচালনা সমিতি গঠন কৰিব পাৰিব—

১) নিৰ্বাচনী বিষয়া

২) দুজন শিক্ষক সদস্য

৩) নিৰ্বাচনৰ আন আন পদবীৰ বাবে দৰকাৰী বিষয়ববীয়াসকল

অনুচ্ছেদ- ৯ ঃ (গ) নিৰ্বাচনী সমিতিয়ে নিৰ্বাচক মণ্ডলী গঠন, ছাত্ৰসকলক ভোটদানৰ সামৰ্থতা আৰু কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা অধিকাৰ পৰীক্ষা কৰিব আৰু প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গ্ৰহণ আৰু পৰীক্ষণৰ ব্যৱস্থা কৰিব।

অনুচ্ছেদ- ৯ ঃ (ঘ) প্ৰাৰ্থীসকলৰ পৰা গ্ৰহণ কৰা মনোয়ন মাচুল নিৰ্বাচনী বিষয়াই মাত্ৰ নিৰ্বাচনৰ উদ্দেশ্যেহে খৰচ কৰিব পাৰিব।

অনুচ্ছেদ- ৯ ঃ (ঙ) ফলাফল ঘোষণা কৰা ২৪ ঘন্টাৰ ভিতৰত নিৰ্বাচন সম্বন্ধীয় সকলোবোৰ আবেদন নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব লাগিব আৰু এই বিষয়ত নিৰ্বাচনী সমিতিৰ সিদ্ধান্তই শেষ সিদ্ধান্ত হ'ব।

অনুচ্ছেদ- ৯ ঃ (চ) ছাত্র একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্বাচনত গোপন ভোটদান পদ্ধতি অৱলম্বন কৰা হ'ব। বেলট পেপাৰৰ জৰিয়তে



Scanned with CamScanner

হোৱা নিৰ্বাচনত 'নটা' সাব্যস্ত কৰা অধিকাৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব।

অনুচ্ছেদ- ৯ ঃ (ছ) কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্বাচনৰ তাৰিখ ১০ দিনৰ আগতেই নিৰ্বাচনী কমিটিয়ে সাধাৰণ জাননীৰ দ্বাৰা জনাই দিব লাগিব। নিৰ্বাচন পৰিচালনা কৰা সম্পূৰ্ণ দায়িত্ব অধ্যক্ষ আৰু নিৰ্বাচনী কমিটিৰ ওপৰত থাকিব।

অনুচ্ছেদ- ৯ ঃ (জ) একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্যকাল সাধাৰণতে এবছৰ হ'ব। যদিহে সমিতিখন আগতেই ভঙ্গ নহয়। কাৰ্য-নিৰ্বাহক সমিতিৰ ভঙ্গ হ'লে অধ্যক্ষই জাননীৰ দ্বাৰা নতুন নিৰ্বাচনৰ বাবে তাৰিখ ঘোষণা কৰিব।

অনুচ্ছেদ- ৯ ঃ (ঝ) সুস্থ পৰিৱেশত কাৰ্য-নিৰ্বাহক সমিতিৰ নিৰ্বাচন বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা শৈক্ষিকসূচী অনুযায়ী অনুষ্ঠিত হ'ব।

অনুচ্ছেদ- ৯ ঃ (ঞ) নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ দিনৰে পৰা নিৰ্বাচনী আচৰণ বিধি (code on conduct for candidates) বলৱৎ হ'ব। এই সম্পৰ্কীয় জাননী নিৰ্বাচনী বিষয়াই জাৰি কৰিব।

অনুচ্ছেদ - ১০ ঃ **ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীৰ অৰ্হতা**

অনুচ্ছেদ- ১০ ঃ (ক) সভাপতি পদৰ প্ৰাৰ্থী হিচাবে পঞ্চম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰতিদ্ধন্দ্বিতা কৰিব পাৰিব। আনহাতে উপ-সভাপতি পদৰ প্ৰাৰ্থী হিচাবে স্নাতক পঞ্চম তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰতিদন্দ্বিতা কৰিব পাৰিব।

অনুচ্ছেদ- ১০ ঃ (খ) সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী স্নাতক প্ৰথম অথবা তৃতীয় ষান্মাসিকৰ হ'ব লাগিব।

অনুচ্ছেদ- ১০ ঃ (গ) ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰাৰ্থী ছাত্ৰী আৰু ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰাৰ্থী ছাত্ৰ হ'ব লাগিব।



Scanned with CamScanner

অনুচ্ছেদ- ১০ঃ (ঘ) ছাত্র একতা সভা নির্বাচনৰ এজন ছাত্রক তেতিয়াহে অনুপযুক্ত বুলি গণ্য কৰা হ'ব—

১) যদি তেওঁক মহাবিদ্যালয়ৰ অধ্যক্ষৰ দ্বাৰা বাকীদাৰ বুলি ঘোষণা কৰা হয়।

২) যদি তেওঁ মনোনয়ন মাচুল জমা নিদিয়ে।

৩) যদি তেওঁ মনোনয়ন পত্র নির্বাচন সমিতিৰ দ্বাৰা ভুল বুলি ঘোষণা কৰা হয়।

৪) যদি তেওঁ চৰাকৰী বা অৰ্দ্ধ-চৰকাৰী স্থায়ী চাকৰিয়াল।

৫) যদি উপযুক্ত আদালতে তেওঁৰ নৈতিক পতনৰ বাবে দায়ী সাব্যস্ত কৰে।

অনুচ্ছেদ - ১১ঃ **ছাত্র একতা সভাৰ পুঁজি**

অনুচ্ছেদ- ১১ঃ (ক) ছাত্র একতা সভাৰ বিভিন্ন অনুষ্ঠান, তথা বছেৰেকীয়া খেল ধেমালি, আলোচনী, পূজা-পাৰ্বন ইত্যাদিৰ বাবে ছাত্র-ছাত্রীৰ পৰা সংগ্ৰহ কৰিব লগা বৰঙণিৰ সম্পৰ্কে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্র একতা সভাৰ কাৰ্য-নিৰ্বাহক সমিতিক অৱগত কৰিব লাগিব। এই মাচুল বছৰৰ আৰম্ভণিত ছাত্র-ছাত্রীসকলৰ নামভৰ্ত্তিৰ সময়তে সংগ্ৰহ কৰি ৰাখিব।

অনুচ্ছেদ- ১১ঃ (খ) যি পুঁজি ছাত্র একতা সভাৰ বাবে ছাত্র-ছাত্রীৰ পৰা সংগ্ৰহ কৰা হয়, সেই পুঁজি আছুতীয়াকৈ ওচৰৰ বেংকত জমা থ'ব লাগিব।

অনুচ্ছেদ- ১১ঃ (গ) কাৰ্য-নিৰ্বাহক সমিতি আৰু তত্বাৱধায়ক শিক্ষকৰ আগতীয়া অনুমোদন আৰু মঞ্জুৰীৰ অবিহনে সাধাৰণ সম্পাদক বা বিভাগীয় সম্পাদকে ছাত্র একতা সভাৰ নিধিৰ পৰা পুঁজিৰ কাৰণে অধ্যক্ষক আবেদন জনাব নোৱাৰিব।

অনুচ্ছেদ- ১১ঃ (ঘ) বছেৰেকীয়া বাজেট প্ৰস্তুত কৰোতে বছৰৰ শেষত হ'ব পৰা আকস্মিক ঘাটি পুৰাবৰ বাবে ২,০০০ (দুই হাজাৰ) টকা আছুতীয়াকৈ ৰাখিব লাগিব।



Scanned with CamScanner

অনুচ্ছেদ- ১১ ঃ (ঙ) বিভাগীয় সম্পাদকসকলে কৰা খৰচ পাতিৰ হিচাপে সাধাৰণ সম্পাদকে তেওঁৰ নিজৰ হিচাপখিনিৰ সৈতে আটাইখিনি হিচাপ পৰীক্ষণ কমিটিৰ আগত দাখিল কৰিব লাগিব। সাধাৰণ সম্পাদকে চূড়ান্ত অনুমোদনৰ বাবে হিচাপ পৰীক্ষণ প্ৰতিবেদন সাধাৰণ সভাত দাখিল কৰিব লাগিব।

অনুচ্ছেদ- ১১ ঃ (চ) ছাত্ৰ একতা সভাৰ নিধিৰ টকা বিভিন্ন বিভাগৰ মাজত থকা প্ৰত্যেক বিভাগৰ আয়োজন আৰু গুৰুত্ব অনুসৰি কাৰ্য-নিৰ্বাহক সমিতিয়ে আৱন্টন কৰিব।

অনুচ্ছেদ - ১২ ঃ **সংবিধান সংশোধন**

অনুচ্ছেদ- ১২ ঃ (ক) সংবিধানৰ কোনো দফা বা কোনো অংশৰ সংশোধন তলত দিয়া যিকোনো এটা পদ্ধতিৰে কৰিব পাৰিব—

১) কাৰ্য-নিৰ্বাহক সমিতিৰ ক্ষুদ্ৰ সংখ্যা গৰিষ্ঠতাৰ দ্বাৰাই সংশোধনীৰ প্ৰস্তাৱ আগবঢ়াব পাৰিব। এই প্ৰস্তাৱ ছাত্ৰ একতা সভাৰ দুই তৃতীয়াংশ ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সাধাৰণ সভাত উত্থাপন কৰিব লাগিব আৰু তাত সংখ্যা গৰিষ্ঠতাত গৃহীত হ'ব লাগিব।

২) সংশোধনী প্ৰস্তাৱ ছাত্ৰ একতা সভাৰ এক তৃতীয়াংশ ছাত্ৰ ছাত্ৰীয়ে লিখিতভাৱে উত্থাপিত কৰিব পাৰিব আৰু এই প্ৰস্তাৱ সাধাৰণ সভাত দাখিল কৰা হ'ব আৰু যদি ছাত্ৰ একতা সভাৰ সমূহ ছাত্ৰ-ছাত্ৰী বিপুল সংখ্যা গৰিষ্ঠতাত গৃহীত হয় তেন্তে, ইয়াক কাৰ্যকৰী কৰা হ'ব।

অনুচ্ছেদ - ১৩ ঃ **ছাত্ৰ একতা সভাৰ পদেন সদস্য**

গত বৰ্ষৰ প্ৰাক্তন সাধাৰণ সম্পাদকজন নতুন কাৰ্য-নিৰ্বাহক সমিতিৰ পদেন সদস্য হ'ব।



Scanned with CamScanner

## সংবিধান প্ৰস্তুত কমিটি ঃ

| ক্ৰঃনং | নাম | পদৱী | স্বাক্ষৰ |
|---|---|---|---|
| ১ | ড০ ৰঞ্জিত শইকীয়া, অধ্যক্ষ | সভাপতি | [illegible] |
| ২ | ড০ দ্বীপা পাতিৰ, নৃতত্ত্ব বিভাগ | সদস্যা | [illegible] |
| ৩ | ড০ পাৰ্থনাথ দত্ত, পদাৰ্থ বিজ্ঞান বিভাগ | সদস্য | [illegible] |
| ৪ | শ্ৰীযুক্তা তৃষ্ণা ভূঞা শইকীয়া, অসমীয়া বিভাগ | সদস্যা | [illegible] |
| ৫ | শ্ৰীযুত জোনটি সোনোৱাল, অসমীয়া বিভাগ | সদস্য | [illegible] |
| ৬ | শ্ৰী পূৰ্বসিং মুছাহাৰী | ছাত্ৰ সদস্য | Purbusing Mochahary |
| ৭ | শ্ৰী বিকী চাহু | ছাত্ৰ সদস্য | [illegible] |

—সমাপ্ত—

Scanned with CamScanner